
# জৱাহৰজ্যোতি

জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ত্ৰিত্ৰিংশতিতম সংখ্যা : বৰ্ষ ২০১০-১১






JAWAHARJYOTI : 33rd Edition : Session 2010-11

সম্পাদক

অনচুমা খংগুৰ খাখলাৰী



Oath-taking Programme of students' Union, 2010-11



Open session of College Week, 2011




Felicitation Programme for successful students of H.S. Science Exam., 2011




Workshop organized by ICGC


Seminar on Management and Prevention of Stress at under Graduate Level



A seminar on traditional Household Practices of Tribal Folks of Boko Area


Workshop, Organized by Bio-Tech. HUB


Workshop, Organized by Department of Mathematics

# জৱাহৰজ্যোতি


জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ত্ৰিত্ৰিংশতিতম সংখ্যা ঃ বৰ্ষ ২০১০-১১

**JAWAHARJYOTI**

The magazine of J.N. College, Boko

Edition : XXXIII Year : 2010-11




তত্বাৱধায়ক
ড° দীপাংকৰ শৰ্মা

সম্পাদক
অনচুমা খংগুৰ খাখলাৰী


সহঃ সম্পাদিকা
জ্যোৎস্না ৰাভা

'Jawaharjyoti '

The annual magazine of Jawaharlal Nehru College, published on behalf of students' union 2010-11, Jawaharlal Nehru College, Boko: Kamrup : Assam, 781123

নেপথ্যত

| | |
|---|---|
| সভাপতি | ঃ ড০ নৃপেন গোস্বামী, অধ্যক্ষ |
| উপ-সভাপতি | ঃ মজিবৰ ৰহমান, উপাধ্যক্ষ |
| তত্বাৱধায়ক | ঃ ড০ দীপাংকৰ শৰ্মা |
| সম্পাদক | ঃ অনচুমা খংগুৰ খাখলাৰী |
| সহঃ সম্পাদিকা | ঃ জ্যোৎস্না ৰাভা |
| শিক্ষক সদস্য | ঃ বিজয়া ডেকা |
| | প্ৰণৱ কুমাৰ শৰ্মা |
| | পুলক তালুকদাৰ |
| | পিনাকী ৰাভা |
| ছাত্ৰ সদস্য | ঃ অমৰজ্যোতি ৰাভা |
| অংগসজ্জা-পৰিকল্পনা | ঃ তত্বাৱধায়ক |
| মুদ্ৰন | ঃ অলিভিয়া অফ্ছেট, বকো |



*বৰ্বৰতাৰ পৰা সভ্যতালৈ*
*অন্ধকাৰৰ পৰা পোহৰৰ উৎসৰলৈ*
*বৰ্ণৰ পৰা শব্দলৈ*
*ভুলৰ পৰা নিৰ্ভুললৈ*
*অন্ধকাৰৰ পৰা জ্ঞানৰ গৰ্ভলৈ*
*দুষ্কৃতিৰ পৰা সংস্কৃতিলৈ*
*মানৱৰ মহাযাত্ৰা।*

বেটুপাতৰ স্কেটচ্ ঃ পুলক ৰাভা

কৃতজ্ঞতা ঃ যিসকলৰ লিখনিয়ে আলোচনীখনৰ শোভা বৰ্দ্ধন কৰিলে, সেইসকলৰ লগতে আলোচনীখন প্ৰকাশৰ প্ৰক্ৰিয়াত উৎসাহ যোগোৱা তথা সহায়ৰ হাত আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° নৃপেন গোস্বামী, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্ত প্ৰমুখ্যে প্ৰতিগৰাকী সশ্ৰদ্ধ ব্যক্তিলৈ কৃতজ্ঞতা যাচিছোঁ। আলোচনীখনৰ মুদ্ৰনত সহায় কৰা অলিভিয়া অফ্ছেটৰ স্বত্বাধিকাৰী সমন্বিতে প্ৰতিগৰাকী কৰ্মীলৈও আমি কৃতজ্ঞতা যাচিছোঁ।

# উছৰ্গা

জন্মলগ্নৰে পৰা বৰ্তমানলৈ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ
উত্তৰণৰ প্ৰতিটো ক্ষণত সাক্ষী হৈ
এই ধৰাৰ পৰা চিৰ বিদায় লোৱা
প্ৰতিজন শিক্ষক, শিক্ষয়িত্ৰী কৰ্মচাৰী,
ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষী

.......................

এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি
হাঁহি মুখে আগবাঢ়ি যোৱাসকল

.........................

যিসকলৰ প্ৰত্যক্ষ বা পৰোক্ষ অৱদান অবিহনে
এই উত্তৰণ
এক অবাস্তৱ সপোন হৈ থাকিলহেঁতেন

.......................

# সম্পাদকীয় -



সময় গতিশীল। সময়ৰ লগে লগে পৰিৱৰ্ত্তিত হৈ থাকে পৰিৱেশ। পৰিৱৰ্ত্তন আহে প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক সকলো দিশতে। আমাৰ চকুৰ পচাৰতে তীব্ৰবেগত যেন পট পৰিৱৰ্ত্তন ঘটিছে। আমি আগুৱাইছো। তথাপি দেখিছো যান্ত্ৰিকতাৰ কলা ধোঁৱাই আমাৰ সৃষ্টিশীলতাক আৱৰি ধৰিছে। আমাৰ কৰ্মৰ ধাৰণাও সলনি কৰিছে। যন্ত্ৰই শিকাইছে আমাক কেৱল আগুৱাবলৈ। সমূহৰ কথা ভাবিবলৈ আমাৰ আহৰি নাই। এই দ্ৰুতগামী সময়যানত উঠি নিজৰ স্থিতি চম্ভালিবলৈ আমি এতিয়া প্ৰত্যেকেই যেন আত্মকেন্দ্ৰিক হৈ পৰিছো। আমি মনত ৰাখিব খোজা নাই আমাৰ যাত্ৰাৰ আৰম্ভণি বিন্দু। কিন্তু লক্ষ্যস্থানো যে ধূসৰিত। ........

বাৰে ৰহণীয়া সংস্কৃতিৰে ভৰপুৰ ৰূপহী অসমত বাস কৰি আহিছে বিভিন্ন জাতি জনগোষ্ঠীয়ে। প্ৰতিটো সংস্কৃতিৰ স্বকীয়তাও বহু উচ্চ। কাৰো ৰূপ যেন কম নহয়। অসম বা উত্তৰ পূৰ্বাঞ্চলখন যেন সংস্কৃতিৰ মিলন ভূমি। সংস্কৃতিৰ মিলনো আৱশ্যম্ভাৱী। তথাপি আজিৰ সময়ত সংস্কৃতিৰ প্ৰসাৰ বা উন্নতি কৰিবলৈ গৈ আমি যেন আকোৱালি লৈছো কিছুমান টুলুঙা ঢঙক। আৰু সেই ঢঙতে উৰি ফুৰি আমি নিজকে সভ্য হোৱাৰ অনুভৱ কৰিছো। আনহাতে আমাৰ নিজৰ সংস্কৃতিৰ প্ৰণালীবদ্ধ অধ্যয়ন বা চৰ্চাৰ পৰা আঁতৰি আহিছো। .......

প্ৰচলিত সমাজ ব্যৱস্থা বা আধুনিকতাৰ দৌৰত দৌৰি ফুৰাৰ মাজতে আজিৰ প্ৰজন্মৰ এটা অংশক সদায় যেন আৱৰি ৰাখিছে হতাশাৰ ডাৱৰে। কিন্তু নিৰাশাই আমাক সহায় নকৰে। লক্ষ্য স্থিৰ কৰি আমি আগুৱাবই লাগিব। এটা শুদ্ধপথত কাম কৰিবলৈ সংকল্প লব লাগিব। কবিৰ ভাষাৰে -

ভগৱানেতো তোমাক দিম বুলি
অঙ্গীকাৰ কৰা নাই-
সদায় এখন নীলা আকাশ
সদায় ফুল চটিয়াই থোৱা এটি মসৃণ পথ
ভগৱানেতো এইবুলি কোৱা নাই
যে বৃষ্টি নাথাকিব
থাকিব কেৱল সূৰ্য
দুখ নাথাকে -
থাকিব কেৱল সুখ আনন্দ
যাতণা নাথাকে-
থাকিব কেৱল শান্তি.................

অনচুমা খংগুৰ খাখলাৰী

# অধ্যক্ষৰ কলম -



কেইগৰাকীমান ব্যক্তিৰ নান্দনিক চিন্তা আৰু যৎপৰোনাস্তি চেষ্টাৰ ফলশ্ৰুতিত দক্ষিণ-পশ্চিম কামৰূপৰ এই অঞ্চলটোতেই জন্ম হৈছিল জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ। চাওতে চাওতে এই অনুষ্ঠানখনে সাতচল্লিছ বছৰ অতিক্ৰম কৰি আজিৰ এই ৰূপত মূৰ্ত হৈ উঠিছে। বৰ্তমান সময়ত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত নিজকে আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীয়ে যিদৰে মুখামুখি হৈছে মেধা আৰু বুদ্ধিদীপ্ততাৰ তীব্ৰ প্ৰতিযোগিতাত আৰু অভিভাৱকসকল অৱতীৰ্ণ হৈছে আৰ্থিক জোৰৰ প্ৰতিযোগিতাত, সেইদৰে নিজৰ স্বকীয়তা বা স্থিতি বজাই ৰাখিবলৈ মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ দৰে প্ৰতিখন উচ্চ শিক্ষাৰ অনুষ্ঠানেও বিভিন্ন দিশৰ পৰা প্ৰচণ্ড হেঁচাৰ সন্মুখীন হৈছে । আজিৰ সময়ত উচ্চ শিক্ষাৰ ক্ষেত্ৰখন যেন এখন উদ্যোগ ক্ষেত্ৰতহে পৰিণত হ'বলৈ ধৰিছে। তথাপি এই অঞ্চলৰ উঠি অহা নৱপ্ৰজন্মক পোহৰৰ বাট দেখুৱাবলৈ গঢ় দিয়া এই অনুষ্ঠানখনক সময়ৰ সোঁতৰ সতে আগুৱাই নিবলৈ আমি চেষ্টাৰ ত্ৰুটি কৰিব নালাগিব। এই অনুষ্ঠানখনত অধ্যক্ষ হিচাবে সেৱা আগবঢ়োৱা বিগত সময়খিনিত মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শৈক্ষিক বাতাৱৰণৰ উন্নতি কৰিবলৈ আমাৰ ফালৰ পৰা পাৰ্যমানে চেষ্টা চলাই আহিছোঁ। কৰণীয়ও বহুখিনি আছে।

মহাবিদ্যালয় এখনৰ আলোচনীখনক ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সৃষ্টিশীল চিন্তা-কৰ্মৰ প্ৰকাশৰ বাবে এক মাধ্যম হিচাবে ব্যৱহাৰ কৰিব পাৰে। আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ জৱাহৰজ্যোতিৰ এই সংখ্যাটিক লিখনিৰে সমৃদ্ধ কৰা প্ৰতিগৰাকীলৈ আন্তৰিক ধ[illegible] জনালোঁ। মুখপত্ৰখন প্ৰকাশ কৰি উলিওৱা ছাত্ৰ একতা সভা, তত্ত্বাৱধায়ক প্ৰমুখ্যে প্ৰতিজন কৰ্মকৰ্তালৈও আমাৰ ফালৰ [illegible] জনালোঁ।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উন্নতি কামনাৰে-

নৃপেন গোস্বামী

(ড° নৃপেন গোস্বামী)




Newly constructed Administrative Building



A view of the Bio-Tech HUB




Prof. Randall C Kyes, University of Washington, in the Seminar on conservation of Biology in the 21st Century : Global partnership in Research, Trainning and outreach



College Establishment Day, 2011



Environmental awarness programme by Science Forum



Celebration of Independence Day, 2011

# সূচীপত্ৰ

## প্ৰবন্ধ শিতান


- সোণালী জয়ন্তী বৰ্ষৰ দুৱাৰদলিলৈ আগবঢ়া জৱাহৰলাল নেহৰু মহাবিদ্যালয় ঃ এক চমু অৱলোকন — ১১
  - ● শ্ৰীলক্ষীকান্ত শৰ্মা, উপাধ্যক্ষ
- শ্ৰদ্ধাঞ্জলি- প্ৰয়াত মদন চন্দ্ৰ কাকতি ছাৰ ঃ এক অদম্য ব্যক্তিত্ব — ১৬
  - ● অধ্যাপক ড° কমলেশ্বৰ ঠাকুৰীয়া
- বিহংগম দৃষ্টিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশ — ১৯
  - ● বসন্ত কুমাৰ দত্ত
- আধুনিক অসমত নাৰীৰ ভূমিকা — ২৩
  - ● কৰুণা কলিতা
- সন্ত্ৰাস বনাম ভৱিষ্যত — ২৬
  - ● ৰুবুল পাটোৱাৰী
- বৰ্তমান সময়ত অসমৰ সাংস্কৃতিক জগতৰ ছবিখন — ২৭
  - ● জ্যোতিপ্ৰভা অধিকাৰী
- সাহিত্যত নোবেল বঁটা বিজয়ী প্ৰথম গৰাকী মহিলা-চেলমা লাগেৰল'ফ — ২৯
  - ● কুকী অধিকাৰী
- কামৰূপী লোকগীতৰ সম্ৰাট শিল্পী ৰামেশ্বৰ পাঠক দেৱলৈ সশ্ৰদ্ধ সোঁৱৰণ — ৩১
  - ● ৰঙালী ৰাভা
- বিহুগীত, বনগীত আৰু বিহুসুৰীয়া গীত — ৩২
  - ● ড০ কমলেশ্বৰ ঠাকুৰীয়া
- কাৰ্ল ফ্ৰেড্ৰিক গাউছ ঃ অসাধাৰণ বুৎপত্তিৰ এগৰাকী মহান গণিতজ্ঞ — ৩৬
  - ● ড$^{0}$ দীপাংকৰ শৰ্মা
- ঐতিহ্য আৰু আধুনিকতাৰ যৌগিক সংশ্লেষণৰ পৰিণতিত বিহু উৎসৱ — ৪০
  - ● মঞ্জিৰা শৰ্মা
- ২০২০ত অসম ঃ মোৰ সপোনৰ কেইখনমান ছবি — ৪৩
  - ● অনুপম কলিতা
- দা টাইম মেচিন — ৪৫
  - ● মানব কলিতা
- বিদায় সম্ভাষণ — ৪৬


## কবিতাৰ কাকলি


- ঠাইতে লিখা কবিতা প্ৰতিযোগিতাত পুৰস্কৃত তিনিটা কবিতা — ৪৯
- দুটি কবিতা — ৫০
  - ● নন্দা দেৱী
- এডাল কলমৰ দুখ — ৫১
  - ● অনুপম কলিতা
- দিখৌ বৈ যায় — ৫১
  - ● বিকাশজ্যোতি ৰাভা
- অস্বস্তিত ঈশ্বৰ — ৫১
  - ● প্ৰাণকৃষ্ণ ৰয়
- হেৰাই গৈছে আশীৰ্বাদৰ ভাষা — ৫২
  - ● পৰীস্মিতা দাস
- টোপনি কোলাত সেউজীয়া — ৫২
  - ● চুমি কলিতা
- মোৰ গাঁও মোৰ ঘৰ — ৫২
  - ● জয়দেৱ বায়ন
- নুনুমায় চেনেহৰ চাকি — ৫৩
  - ● সুৰজপতি ৰাভা
- বিধ্বস্ত শান্তিৰ কপৌ — ৫৩
  - ● অনচুমা খংগুৰ খাখলাৰী
- দুটি কবিতা — ৫৩
  - ● জ্যোতিৰ্ময় ভৰালী
- বৰষুণ — ৫৪
  - ● বৰষা বড়ো
- কেতিয়াবা এনেকুৱাই — ৫৪
  - ● বিনোদ ছেত্ৰী
- গছৰ দৰে বিতোপন কবিতা আৰু নাই — ৫৫
  - ● নিলম কলিতা
- মা — ৫৫
  - ● ভনিতা বৰুৱা
- অনিবাৰ্য লগৰীয়া — ৫৬
  - ● ধৃতিমা শৰ্মা
- বৃন্দ গীত — ৫৬
  - ● গীত- সুৰ - নৱ কুমাৰ কলিতা

## গল্প গুচ্ছ


মদাৰৰ সুবাস — ৫৯
● দীপামণি দৈমাৰী

সপোন — ৬২
● দিব্যজ্যোতি কলিতা

প্ৰতিশ্ৰুতি — ৬৩
● কল্পনা দেৱী

এখন পুৰণি চাইকেল — ৬৬
● জয়দেৱ বায়ন

এল্কাৰৰ মালিতা — ৬৮
● ড° ললিত চন্দ্ৰ ৰাভা

গৱেষণা — ৭১
● পুলক তালুকদাৰ

যৌতুক — ৭৩
● সঞ্জয় মেধী

ভোক — ৭৫
● পৰীস্মিতা দাস

অনুভৱৰ এটি পৃষ্ঠা — ৭৬
● বিনয়া দেৱী


## প্ৰাচীৰ পত্ৰিকাৰ পাতৰ পৰা


ম'বাইল ফোন আৰু কলেজৰ ছাত্ৰ-ছাত্ৰী — ৭৮
● নয়নমণি নাথ

ৰেগিঙে যেতিয়া দানৱতাৰ শীৰ্ষৰ চুৱেগৈ — ৭৮
● আকবৰ হুছেইন

সৃষ্টিৰ ৰহস্য — ৭৯
● বিদ্যুত কলিতা

অসমৰ এটি সংস্কৃতি ঃ দেওধা — ৭৯
● তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী ৰাজনীতি বিজ্ঞান বিভাগ

পিয়াজ কাটিলে চকু পানী ওলাই কিয়? — ৮০
● নীনা মহন্ত

বিয়া নামত পৌৰাণিক চৰিত্ৰ — ৮০
● শিখা ৰাণী ডেকা

আমি কিয় হামিয়াও — ৮০
● অলকেশ কলিতা

Penguine — ৮১
● Sabnam Devi Boro

বোমাৰ সন্ধানত মৌমাখি — ৮১
● মৃদুল কলিতা

ডাইনী হত্যা ঃ এক অন্ধ বিশ্বাস — ৮২
● চন্দনা কলিতা


## ENGLISH SECTION


Higher Education Needs Radical Reforms — ৮৫
● K G Bhattacharyya

Shakespeare the man from strateford — ৯১
● Satyabrat Kalita

Equal Status for Women — ৯৩
● Dolly Das

Education : A way of empowerment — ৯৪
● Bijaya Deka

Optical Communication — ৯৭
● Dr. Ranjit Baishya,

IYC-2011: History, Achivement and Future of Chemistry — ১০০
● Dr. J.P. Sarma Baruah

Emerging Trends in Bio-Technology and the Role of Biotech-Hub — ১০৩
● Gitanjali Biswas

A specific Ritual Hana Ghora among the Pati abhas of Boko Area. — ১০৬
● Mahananda Das

The State of the Art Library Automation System — ১০৮
● Bhagabati Narzary


## BODO SECTION


सरखो नंसर मालाय नंदं सन्थाइआव बेरखांनाय मिस्तिक सानथ्रि — ১১৭
● Santana Boro

जा हाथाव सन्थायाव बेरखांनाय हारि फोजाखांनाय सानथ्रि — ১১৯
● Kankana Boro

मान्दार बिबार — ১২১
● अनसुमा खुं: बड'सा

बर' राथनि आयोन आरो सानराइ मोनसे साबरायनाय — ১২৪
● ज्योतिष बसुमतारि

सोरखा — ১২৯
● Rambha Basumatary

अनंजालु फिसा — ১২৯
● Kankana Boro

सदबांसा — ১২৯
● Bardwi Boro

● Report of Secretary of Union Body — ১৩০
● Results — ১৩৫
● Appendix — ১৪১

# প্রবন্ধ শিতান

আধুনিক সাহিত্যত প্ৰবন্ধই বিশেষ স্থান অধিকাৰ কৰি আহিছে। অৰুণোদই কাকততে প্ৰবন্ধ সাহিত্যই ভূমুকি মাৰে। তাৰ পিছত আসাম বিলাসিনী, আসাম বন্ধু আদি কাকতৰ যোগেদি হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত, কালিৰাম বৰুৱা আদি লেখক সকলে ইয়াক উন্নতিৰ পথত আগবঢ়াই নিয়ে; কিন্তু সেই যুগত বেছিভাগ প্ৰবন্ধই আছিল চিন্তাধৰ্মী আৰু বাস্তৱধৰ্মী। জোনাকী কাকত প্ৰকাশৰ লগে লগে মনোধৰ্মী, ব্যক্তিনিষ্ঠ আৰু ৰসাত্মক প্ৰবন্ধৰো ইতিহাস আৰম্ভ হয় বুলি কব পাৰি। এই শ্ৰেণীৰ প্ৰবন্ধত ব্যক্তি চিন্তাতকৈ ব্যক্তি চিত্তহে অভিব্যক্তি হয়। লেখকৰ ব্যক্তিৰ সন্মোহিনী শক্তিয়ে এই শ্ৰেণীৰ প্ৰবন্ধক সুখপাঠ্য কৰি তোলে। বিষয়বস্তু ইয়াত কেৱল উপলক্ষ্য মাত্ৰ, প্ৰকাশ ভংগীৰ সৌন্দৰ্য্যহে এই ৰচনাৰ প্ৰধান উদ্দেশ্য। ইংৰাজী সাহিত্যত চাৰ্লচ্ লেম্বে এই বিধ ৰচনাক পাংক্তেয় কৰি তোলে।

– ড° সত্যেন্দ্ৰনাথ শৰ্মা

## শিল্পীৰ তুলিকাত




শিল্পীসকল - পুলক বাভা, সুস্মীতা বসাক আৰু তপচিং বাভা

# সোণালী জয়ন্তী বৰ্ষৰ দুৱাৰদলিলৈ আগবঢ়া জৱাহৰলাল নেহৰু মহাবিদ্যালয় ঃ এক চমু অৱলোকন

শ্ৰীলক্ষীকান্ত শৰ্মা, উপাধ্যক্ষ

১৯৬৪ চন। বকোৰ ইতিহাসৰ এক উল্লেখযোগ্য বছৰ। কিয়নো সেইবছৰতে বকো অঞ্চলত উচ্চ শিক্ষাৰ প্ৰসাৰ সাধনৰ ক্ষেত্ৰত এক সোণালী অধ্যায়ৰ সূচনা হৈছিল। স্থাপিত হৈছিল জৱাহৰলাল নেহৰু মহাবিদ্যালয় নামেৰে এখন মহাবিদ্যালয়। প্ৰস্তুতিপৰ্বত বকো কলেজ নামেৰে নামকৰণ হৈছিল যদিও সেই চনৰে ২৭ মেৰ দিনা স্বাধীন ভাৰতবৰ্ষৰ প্ৰথমজনা প্ৰধানমন্ত্ৰী স্বনামধন্য ৰাজনীতিক, সুলেখক পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যু হোৱাত প্ৰস্তুতি কমিটিৰ দূৰদৃষ্টিসম্পন্ন সদস্যসকলে তেখেতৰ নামটি চিৰযুগমীয়া কৰি ৰখাৰ কাৰণে আৰু লগতে মহাবিদ্যালয়খনৰ এক উদাৰ, বহল আৰু সৰ্বভাৰতীয় দৃষ্টিভঙ্গী গঢ়ি তোলাৰ মানসেৰে বকো কলেজৰ পৰিৱৰ্ত্তে কলেজখনৰ নামটো জৱাহৰলাল নেহৰু মহাবিদ্যালয় নামেৰে নামকৰণ কৰে। যোগাযোগকে ধৰি শৈক্ষিক-অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে অনগ্ৰসৰ সেইকালৰ বকোত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ যোৱাটো সঁচাকৈয়ে এক সপোন যেন লগা কথা আছিল। কিন্তু সেয়া বাস্তৱ হৈছিল কিয়নো পিচপৰা অঞ্চল আছিল যদিও এই অঞ্চলৰ জনসাধাৰণৰ মন তথা চিন্তা চেতনা অতি উচ্চ আছিল। গান্ধীজীৰ নেতৃত্বত আৰম্ভ হোৱা দেশৰ স্বাধীনতা সংগ্ৰামত যোগদানৰ মাজেৰে এই অঞ্চলৰ ৰাইজৰ চিন্তা-চেতনাৰ উমান ইতিমধ্যে পৰিলক্ষিত হৈছিল। এই সংগ্ৰামত বকো অঞ্চলৰ ৰাইজে দেখুওৱা অসাধাৰণ নিদৰ্শনে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নেতৃবৰ্গৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল, যাৰ কাৰণে বাবু ৰাজেন্দ্ৰ প্ৰসাদ সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ প্ৰতিনিধি হিচাপে বকোলৈ আহিছিল। এই অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰী খিনিয়েও যাতে উচ্চ শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে বকোত এখন মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰয়োজনীয়তাৰ কথা বকো অঞ্চলৰ ৰাইজে উপলব্ধি কৰিব পাৰিছিল আৰু তাৰ কাৰণে প্ৰস্তুতি পৰ্ব আৰম্ভ কৰি দিছিল। ৰাইজৰ এনে ইচ্ছা তথা আকাঙ্খাত ইতিবাচক সহাৰি দিছিল সেই সময়ৰ বকো সমষ্টিৰ বিধায়ক - সকলোৰে শ্ৰদ্ধাভাজন প্ৰবীন কুমাৰ চৌধুৰীদেৱে। দৰাচলতে কবলৈ গ'লে বকো মহাবিদ্যালয়খন স্থাপন কৰাত বিধায়ক তথা ৰাজ্যখনৰ পৰিবহন মন্ত্ৰী প্ৰবীন কুমাৰ চৌধুৰীদেৱৰ অসামান্য অৱদান আছিল। বিধায়ক চৌধুৰীদেৱৰ লগতে সেই সময়ৰ বকো হাইস্কুলৰ প্ৰধান শিক্ষক অচ্যুত কান্ত অধিকাৰীদেৱ, সমাজসেৱক জনাৰ্দন শৰ্মাদেৱকে আদি কৰি বকো অঞ্চলৰ ভালে কেইজন গুণী-জ্ঞাণী ব্যক্তিয়ে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত এই সকল নমস্য ব্যক্তিৰ নাম সদায় সোণালী আখৰেৰে খোদিত হৈ থাকিব। প্ৰধান শিক্ষক অধিকাৰীদেৱে প্ৰস্তুতি কমিটিৰ সচিবৰ দায়িত্ব বহন কৰি গৈছিল। এই সকল ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত অৱশেষত ১৯৬৪ খৃঃৰ ৩ আগষ্টৰ দিনা জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোই

আনুষ্ঠানিকভাৱে জন্ম লাভ কৰে। মহাবিদ্যালয়ৰ পাঠদান হৈছিল তেতিয়া বকো হাইস্কুলত আৰু ৩ আগষ্টৰ দিনা প্ৰথম ক্লাচটো লোৱাৰ সৌভাগ্য হৈছিল সেই সময়ত মহাবিদ্যালয়খনত যোগদান কৰা অসমীয়া বিষয়ৰ অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্ত দেৱৰ। সেই তেতিয়াৰ পৰাই এখোজ এখোজ কৈ আগবাঢ়ি আহি জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোই আজি সোণালী জয়ন্তী বৰ্ষৰ দুৱাৰ-দলিত উপস্থিত হৈছেহি।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ কাললৈকে (১৯৬৪-১৯৮৯) মহাবিদ্যালয়ৰ এক দীঘলীয়া ইতিহাস তদানীন্তন অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত দাঙি ধৰিছিল। এই প্ৰৱন্ধত আমি সেইবোৰৰ পুনৰোক্তি কৰিব খোজা নাই।

বৰ্তমান মহাবিদ্যালয় খনত যি এক অনন্য আৰু একক পৰিবেশ বিৰাজমান-আৰম্ভণি কালত কিন্তু তেনে এটা পৰিবেশ নাছিল। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নামত চৰকাৰৰ ফালৰ পৰা আবন্টন দিছিল ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন জাৰাপাৰা সংৰক্ষিত গো-চৰণীয়া পথাৰৰ ১০০ বিঘা মাটি। গতিকে এনে এখন ঠাইত প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ পৰিবেশটো প্ৰথম অৱস্থাত স্বাভাৱিকতে উকা-উকা লগা আছিল। কিন্তু এক সুন্দৰ পৰিবেশ গঢ়ি তোলাৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষই চেষ্টাৰ ত্ৰুটি কৰা নাছিল আৰু সেই কালৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে নাহৰ, বকুল, একাচিয়া আদি ভালেমান গছ ৰোপণ কৰোৱাইছিল। প্ৰাকৃতিক ভাৱে গজি লহ পহকৈ বাঢ়ি অহা শাল গছ সমূহেও আজি মহাবিদ্যালয় খনক এক নৈসৰ্গিক শোভাৰে সুশোভিত কৰি তুলিছে। মহাবিদ্যালয়খনৰ চৌহদৰ এই মনোৰম পৰিবেশৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে ইয়াত অধ্যয়ন কৰিবলৈ আহি বৰ্তমান এক অনাবিল আনন্দ অনুভৱ কৰে। আৰম্ভণি কালৰ আন এটা অসুবিধা আছিল যাতায়ত সমস্যা। ব্যক্তিগত দুচকীয়া বা চাৰিচকীয়া যান বাহনৰ কথা বাদেই ১৯৮০ চনলৈ বকোত এখনো ৰিক্সাই নাছিল। সেয়ে মহাবিদ্যালয়খন বজাৰ এলেকাৰ পৰা দূৰৈত স্থাপন কৰা বুলি এটা চামে প্ৰায়েই সমালোচনা কৰি আহিছিল। কিন্তু বৰ্তমানৰ পৰিপ্ৰেক্ষিতত যি সকলে মহাবিদ্যালয়খন বৰ্তমানৰ ঠাই খিনিত স্থাপন কৰাৰ পোষকতা কৰিছিল তেওঁলোক দূৰদৰ্শী আছিল বুলিয়ে কব লাগিব। সেই সময়ত এই ঠাইখিনি ইমানে পিচপৰা আছিল যে শিক্ষক শিক্ষয়িত্ৰী সকলে চাহ একাপ খোৱাটো বাদেই তামোল এখন কিনি খাবৰ কাৰণে ওচৰত পাণ-দোকান এখনেই নাছিল। তামোল এখন খাব লাগিলেও বকো বজাৰৰ পৰা অনাইহে খাব লাগিছিল। বৰ্তমানে এই অভাৱ নোহোৱা হ'ল।

প্ৰথম অৱস্থাত এই মহাবিদ্যালয়ত কলা শাখাৰ নিৰ্দিষ্ট কেইটামান বিষয়তহে পাঠদান চলিছিল। পিছলৈ আৰু কেইটামান বিষয়ৰ সংযোজন হৈছিল। ১৯৮৬ খৃঃত মহাবিদ্যালয়খনত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰবৰ্ত্তন কৰা হৈছিল। পাচত স্নাতক পৰ্যায়তো বিজ্ঞান শাখা মুকলি কৰা হয় আৰু ১৯৯৮ খৃঃত বিজ্ঞান শাখাটোৱে ঘাটি মঞ্জুৰী লাভ কৰিবলৈ সমৰ্থ হয়। বৰ্তমানে কলা আৰু বিজ্ঞানৰ এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় হিচাপে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে এক গৌৰৱৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও এই মহাবিদ্যালয়ত আইডল, আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰবৰ্ত্তিত পাঠ্যক্ৰম সমূহ চলি আছে আৰু ইয়াৰ পৰা ভালেমান শিক্ষাৰ্থীয়ে ডিগ্ৰী লাভ কৰিবলৈ সমৰ্থ হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰি অহা বাৰ্ষিক আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ সমূহত যোগদান কৰি এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে কেইবাবাৰো স্বৰ্ণপদককে ধৰি বিভিন্ন পদক আজুৰি আনিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত সঙ্গীতত কেইবাটাও সোণৰ পদক অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰী এগৰাকী আছিল মিচ্ বুলুমণি ৰাভা। তদুপৰি গুৱাহাটিত অনুষ্ঠিত হোৱা ৩৩ তম ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱত যোগদান কৰি এই মহাবিদ্যালয়ৰে ছাত্ৰী শ্ৰীউষা ৰাণী বড়ো আৰু ছাত্ৰ শ্ৰীমন্টু বড়োই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ

সক্ষম হৈছিল।

খেলাধূলা-গানবাজনাৰ বাহিৰেও মহাবিদ্যালয়ত প্ৰৱৰ্ত্তিত N.S.S বা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু ৰ'ভাৰ ৰেঞ্জাৰ গ্ৰুপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাই নহয় গৌৰৱো কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। N.S.S গোট স্থাপন হোৱাৰ পৰাই তদানীন্তন অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ উদ্যোগত আৰু N.S.S ৰ Programme Officer অধ্যাপক মদন কাকতিদেৱৰ পৰিচালনা আৰু অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত এটা সময়ত N.S.S গোটটোৱে মহাবিদ্যালয় চৌহদৰ উন্নয়ন, চৌহদৰ বাহিৰত সমাজ সেৱা আৰু অসম আন্দোলনৰ কালত সমাজ বিৰোধী লোকৰ আক্ৰমণত বিধস্ত প্ৰায় হোৱা ছমৰীয়ালৈ গৈ দুৰ্গত সকলৰ সেৱা কৰি N.S.S য়ে নিজৰ লক্ষ্য তথা উদ্দেশ্য সফল কৰাত ভালেখিনি কৃতকাৰ্য্য হৈছিল। মহাবিদ্যালয়ৰ ফুটবল ফিল্ডখন ঠিক কৰাৰ কাৰণে N.S.S ৰ এটা শিবিৰ মহাবিদ্যালয়ৰ চৌহদত অনুষ্ঠিত কৰা হৈছিল আৰু N.S.S ৰ স্বেচ্ছাসেৱক সকলৰ লগতে অন্যান্য কিছুমান ছাত্ৰ-ছাত্ৰীয়েও সহযোগ কৰি ফিল্ডখন ঠিক কৰিছিল। তদুপৰি মুগাখোললৈ অহাযোৱা কৰাৰ সুবিধা কৰি দিয়াৰ কাৰণে মহাবিদ্যালয় চৌহদৰ পশ্চিম ফালৰ ৰাস্তাটো N.S.S ৰ স্বেচ্ছাসেৱক সকলে বন্ধায় দিয়ে।

মহাবিদ্যালয়ৰ আন এটা গোট Rover and Ranger গ্ৰুপেও ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত নাগৰিক হিচাপে গঢ় দিয়াত অৰিহণা যোগাই আহিছে। বিশেষকৈ Ranger গ্ৰুপৰ Leader অধ্যাপিকা বিজয়া ডেকাই Ranger গ্ৰুপৰ ছাত্ৰী সকলক বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰাই নহয় বিভিন্ন ঠাইত সময়ে সময়ে অনুষ্ঠিত হোৱা শিবিৰ সমূহত যোগদান কৰি এই মহাবিদ্যালয়ৰ গ্ৰুপে সদায় শীৰ্ষ স্থান লভিবলৈ সক্ষম হৈ আহিছে।

এসময়ত শিক্ষা-দীক্ষাকে ধৰি সকলো ক্ষেত্ৰতে পিচপৰা বকো এতিয়া আৰু পিচপৰি থকা নাই। যোগাযোগ ব্যৱস্থাৰ ইতিমধ্যে দ্ৰুত উন্নয়ন হৈছে। শিক্ষা আৰু খেলাধূলাৰ ক্ষেত্ৰতো বকোই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এই ক্ষেত্ৰত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে প্ৰভূত অৰিহণা যোগাই আহিছে।

শৈক্ষিক দিশত অগ্ৰগতি লাভ কৰাৰ লগতে ক্ৰমাগত ভাৱে মহাবিদ্যালয়ৰ আবয়বিক দিশতো ভালেখিনি সম্প্ৰসাৰণ ঘটিছে। বিশেষকৈ ড০ নৃপেন গোস্বামীদেৱে অধ্যক্ষ হিচাপে যোগদান কৰাৰ পিচত আৱয়বিক ক্ষেত্ৰত দ্ৰুত সম্প্ৰসাৰণ সাধিত হৈছে। ইয়াৰ বাবে তেওঁ নিশ্চয় প্ৰশংসাৰ পাত্ৰ। মহাবিদ্যালয়ৰ Women Hostel ৰ নিৰ্মান, নতুন প্ৰশাসনীয় ভৱন নিৰ্মাণ, উপাধ্যক্ষৰ কাৰণে সুকীয়া কোঠাৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ নতুন পুথি ভৰাল ভৱনৰ নিৰ্মাণ, শিক্ষক জিৰণি কোঠাৰ বাবে প্ৰসাৰাগাৰ নিৰ্মাণ আদি বিভিন্ন নিৰ্মাণ কাৰ্য্য সাধন কৰাৰ লগতে বৰ্তমান অগ্ৰসৰ হৈছে U.G.C. ৰ অনুদানেৰে এটি ছুইমিং পুল আৰু জিমনেচিয়াম হ'ল এটি নিৰ্মাণ কৰিবলৈ। বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি ইতিমধ্যে মহাবিদ্যালয়ৰ ভিতৰৰ ৰাস্তাখিনি পকীকৰণ কৰিবলৈও সক্ষম হৈছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ত অহৰহ বিদ্যুত যোগান অব্যাহত ৰখাৰ কাৰণে এটা উচ্চ শক্তি সম্পন্ন জেনেৰেটৰ স্থাপন কৰাৰ কামো কৰা হৈছে। তদুপৰি ড০ নৃপেন গোস্বামীৰ আন এক কৃতিত্ব হ'ল মহাবিদ্যালয় পৰিচালনা সমিতিৰ লগত বুজাবুজি চুক্তি কৰি কেন্দ্ৰীয় ৰাবাৰ বোৰ্ডৰ দ্বাৰা মহাবিদ্যালয়ৰ ভূমিত ৰবৰ গছ ৰোপনৰ ব্যৱস্থা কৰা। গ্ৰাম্য অঞ্চলত সৰু সুৰা গৱেষনাৰ কাম কৰাৰ বাবে মহাবিদ্যালয়ত Bio-Tech Hub এটা স্থাপন কৰা আৰু Net-Working ব্যৱস্থা সুচল কৰাৰ বাবে Computer lab এটা স্থাপন কৰাটোও ড০ গোস্বামীদেৱৰ এক উল্লেখযোগ্য কৃতিত্ব।

ইয়াৰ উপৰিও খেলা ধুলাৰ বিকাশ সাধনৰ কাৰণে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ সৈতে যোগাযোগ স্থাপন

কৰি ছোৱালী কমনৰুম আৰু ল'ৰাৰ কমন ৰুমৰ কাৰণে চকী, মেজ, আলমাৰিকে ধৰি বিভিন্ন খেলৰ সামগ্ৰী, পুথি ভৰাললৈ বিজ্ঞানৰ বিষয় কেইটাৰ ভালেমান পাঠ্যপুথি, চাইকেল-বাইক ষ্টেণ্ড আদি লাভ কৰাৰ লগতে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ পৰা মহাবিদ্যালয়ৰ কাৰণে এটি মিনি ষ্টেডিয়াম লাভ কৰিবলৈ সমৰ্থ হৈছে। এই ক্ষেত্ৰত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ তদানীন্তন মুখ্য কাৰ্য্যবাহী সদস্য ডাঃ শৰৎ ৰাভা দেৱৰ নাম মহাবিদ্যালয়খনে কৃতজ্ঞতাৰে সোঁৱৰণ কৰিব লাগিব।

মহাবিদ্যালয়ৰ এই সুদীৰ্ঘ পৰিক্ৰমাত বৰ্তমানৰ অধ্যক্ষক বাদ দি মুঠ সাত গৰাকী অধ্যক্ষই কাৰ্যনিৰ্বাহ কৰি গৈছে। ইয়াৰ তিনিগৰাকী আছিল নিয়মীয়া তথা স্থায়ী অধ্যক্ষ আৰু চাৰি গৰাকী আছিল ভাৰপ্ৰাপ্ত অধ্যক্ষ। শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আছিল প্ৰতিষ্ঠাতা অধ্যক্ষ তথা প্ৰথম গৰাকী স্থায়ী অধ্যক্ষ। দ্বিতীয় গৰাকী স্থায়ী অধ্যক্ষ আছিল শ্ৰীযুত শৰৎ হাজৰিকাদেৱ আৰু তৃতীয় গৰাকী আছিল ড০ ৰমা কান্ত বৰুৱা। ভাৰপ্ৰাপ্ত হিচাপে কাৰ্য নিৰ্বাহ কৰা অধ্যক্ষ সকল আছিল যথাক্ৰমে শ্ৰীযুত বসন্ত কুমাৰ দত্ত, শ্ৰীযুত ধৰ্মকান্ত বৰুৱা, শ্ৰীযুত দিলীপ কুমাৰ দাস আৰু শ্ৰীযুত লক্ষী কান্ত শৰ্মা। অধ্যক্ষৰ নিযুক্তি নোহোৱালৈকে আৰম্ভণিৰ সময়ছোৱাত বকো হাইস্কুলৰ সেই কালৰ প্ৰধান শিক্ষক অচ্যুত কান্ত অধিকাৰীদেৱে মহাবিদ্যালয়ৰ সচিবৰ দায়িত্বৰ লগতে অংশকালীন ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্য পৰিচালনা কৰিছিল। কিছু দিনৰ পিচত অৰ্থাৎ ১-৯-৬৫ তাৰিখে মহাবিদ্যালয়ৰ প্ৰথম গৰাকী অধ্যক্ষ হিচাপে যোগদান কৰেহি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে। তেওঁ সুদীৰ্ঘ ৩০ বছৰ কাল অধ্যক্ষ হিচাপে এই মহাবিদ্যালয়ত সেৱা আগবঢ়ায়। অত্যন্ত মেধাবী নাথ দেৱে সুদীৰ্ঘ কাল অধ্যক্ষৰ আসনত আছিল যদিও মহাবিদ্যালয়খনত প্ৰথম অৱস্থাত প্ৰয়োজনীয় সংখ্যক ছাত্ৰ-ছাত্ৰী নথকা কাৰণে U.G.C. ৰ অনুদানৰ পৰা বঞ্চিত হৈছিল আৰু তাৰ কাৰণে তেওঁৰ দিনত মহাবিদ্যালয় খনে যিমানখিনি বিকাশ লাভ কৰিব লাগিছিল সিমানখিনি হোৱা নাছিল। এই খিনিতে উল্লেখ কৰিব লাগিব যে এই মহাবিদ্যালয়খনে ১৯৬৯ চনত ঘাটি মঞ্জুৰী লাভ কৰাৰ সময়ত মহাবিদ্যালয়খনৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ ৭২ জন। প্ৰশাসক হিচাপে শ্ৰীযুত নাথ দেৱ এগৰাকী যোগ্য প্ৰশাসক বুলিয়ে কব লাগিব আৰু প্ৰশাসনীয় কামকাজত আৰু বিশেষকৈ পৰীক্ষা আদি পৰিচালনা কৰাত তেওঁ দেখুওৱা সাহস আৰু দৃঢ়তাই নিৰীক্ষকৰ দয়িত্বত থকা অধ্যাপক- অধ্যাপিকা সকলক নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰাত সাহস যোগাইছিল। তথাপি এটা কথা কব লাগিব যে, তেওঁ নিজ সম্বন্ধে পোষণ কৰা উচ্চ ধাৰণা আৰু প্ৰশাসকীয় দৃষ্টিৰেই সকলো কাম চম্ভালিব যোৱাৰ কাৰণে মহাবিদ্যালয়খনৰ আন্তঃগাথনিৰ উন্নয়ন তথা আবয়বিক বিকাশৰ ক্ষেত্ৰত অলপ হলেও আঁচৰ নপৰাকৈ থকা নাছিল।

শ্ৰীযুত যতীন চন্দ্ৰ নাথ দেৱৰ পিচত শ্ৰীযুত বসন্ত কুমাৰ দত্ত দেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে প্ৰায় চাৰি বছৰকাল কাৰ্যনিৰ্বাহ কৰে। তেওঁৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটোৱে ঘাটি মঞ্জুৰী লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি এগৰাকী উদাৰ প্ৰশাসক হিচাপে পৰিচয় দিবলৈ তেওঁ সক্ষম হৈছিল। শ্ৰীযুত দত্ত দেৱৰ পিচত শ্ৰীযুত শৰৎ হাজৰিকা দেৱে স্থায়ী অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। কিন্তু মাত্ৰ কেইমাহমান অধ্যক্ষতা কৰিয়ে তেওঁ পুনৰ আগৰ পদবীলৈ ঘূৰি যায়। শ্ৰীযুত শৰৎ হাজৰিকা দেৱৰ পিচত শ্ৰীযুত ধৰ্মকান্ত বৰুৱা দেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্বাহ কৰে। তেওঁ প্ৰায় দুমাহ কাল অধ্যক্ষ হিচাপে থাকে। শ্ৰীযুত বৰুৱাৰ পিচত ড০ ৰমা কান্ত বৰুৱাদেৱে স্থায়ী অধ্যক্ষ হিচাপে এই মহাবিদ্যালয়ত যোগদান কৰে। তেওঁ তেওঁৰ নিজস্ব ধ্যান-ধাৰণাৰে কাৰ্য্য পৰিচালনা কৰিছিল আৰু সেয়ে তেওঁৰ আঠবছৰীয়া কাৰ্য্যকালত তেওঁ বিভিন্ন সমালোচনাৰ সমুখীন নোহোৱাকৈ থকা নাছিল। ড০ ৰমা কান্ত বৰুৱা দেৱৰ পিচত শ্ৰীযুত দিলীপ কুমাৰ দাসে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। শ্ৰীযুত দাস দেৱৰ পিচত শ্ৰীযুত লক্ষীকান্ত শৰ্মা দেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্বাহ কৰে। নতুন অধ্যক্ষ ড০ নৃপেন গোস্বামী দেৱে যোগদান কৰালৈকে প্ৰায় ডেৰ বছৰ কাল অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি তেওঁ মহাবিদ্যালয়

খনত এক অনুকূল বাতাৱৰণ গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

ড০ নৃপেন গোস্বামী দেৱ নিযুক্ত হয় ২৬-৪-২০০৭ ইং তাৰিখে। তেওঁৰ নেতৃত্বত বৰ্তমান শৈক্ষিক ক্ষেত্ৰৰ লগতে আন আন ক্ষেত্ৰতো মহাবিদ্যালয়খনে দ্ৰুত উন্নয়নৰ পথত অগ্ৰসৰ হৈছে।

মহাবিদ্যালয়ৰ এই পঞ্চাশ বছৰীয়া পবিক্ৰমাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰা ব্যক্তি সকল হ'ল ক্ৰমে- প্ৰয়াত প্ৰবীন কুমাৰ চৌধুৰী, প্ৰয়াত নৰ্বদা চৌধুৰী, শ্ৰীমহেশ্বৰ দাস, প্ৰয়াত উপেন্দ্ৰ চন্দ্ৰ দাস, প্ৰয়াত অচ্যুত কান্ত অধিকাৰী, শ্ৰীদধিৰাম বৰ্মা, শ্ৰীজ্যোতি প্ৰসাদ দাস, শ্ৰীগোপীনাথ দাস আৰু বৰ্তমান শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ।

সুদীৰ্ঘ কাল এই মহাবিদ্যালয়ত সেৱা আগবঢ়াই বৰ্তমানলৈকে অবসৰ গ্ৰহণ কৰা শিক্ষক কৰ্মচাৰী সকল হ'ল যথা ক্ৰমে শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰ, অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ, শ্ৰীবসন্ত কুমাৰ দত্ত, প্ৰয়াত মদন চন্দ্ৰ কাকতি, শ্ৰীধৰ্ম কান্ত বৰুৱা, শ্ৰীমৃগেন শৰ্মা, অধ্যক্ষ ড০ ৰমাকান্ত বৰুৱা, শ্ৰীদিলীপ কুমাৰ দাস, শ্ৰীৰাধাচৰণ মেধী (মুখ্য কাৰ্যালয় সহায়ক), শ্ৰীগৌতম ৰাভা (গ্ৰন্থাগাৰিক), শ্ৰীলক্ষীকান্ত শৰ্মা, শ্ৰীশৈলেন্দ্ৰ নাথ শৰ্মা (মুখ্য কাৰ্যালয় সহায়ক)।

সুখৰ লগত দুখ বা বিষাদ থকাৰ দৰে এই মহাবিদ্যালয়ে কেতিয়াবা কেতিয়াবা বিষাদৰ চকুলো টুকিবলগীয়া হৈছে। কৰ্মৰত অৱস্থাতে অথবা এই মহাবিদ্যালয়ৰ পৰা অবসৰ লোৱাৰ পিচত ভালেকেইজন শিক্ষক-কৰ্মচাৰী আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই গৈছে। এনেদৰে হেৰাইযোৱা এই মহাবিদ্যালয় পৰিয়ালৰ লোক সকল আছিল ক্ৰমে- দীনেশ চন্দ্ৰ শৰ্মা (মূৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান), মঃ হাছমৎ আলী (চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী), কনক চন্দ্ৰ দাস (মূখ্য কাৰ্যালয় সহায়ক), দেৱেন্দ্ৰ নাথ শৰ্মা (মুৰব্বী অধ্যাপক অৰ্থনীতি বিজ্ঞান তথা উপাধ্যক্ষ), নবীন চন্দ্ৰ মুদিয়াৰ (মুৰব্বী অধ্যাপক ভূগোল বিজ্ঞান), মদন চন্দ্ৰ কাকতি (অধ্যাপক অসমীয়া বিভাগ)। এই সুদীৰ্ঘ কালছোৱাত এই মহাবিদ্যালয়ৰ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়েও অকালতে মৃত্যুবৰণ কৰিছে। আমি তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছো।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো অঞ্চলৰ গৌৰৱৰ প্ৰতীকেই নহয় ই অঞ্চলটোৰ মৰ্য্যদাৰো কাৰক। ৰাজহুৱা অনুষ্ঠান হিচাপে ৰাইজৰ এই অনুষ্ঠানখনৰ প্ৰতি এক গভীৰ টান আছে আৰু মহাবিদ্যালয়খনৰ সুনাম তথা দুৰ্নামৰ লগত তেওঁলোকো সমভাগী। ৰাইজৰ সহায় আৰু সহযোগিতাত এই মহাবিদ্যালয়খন নিশ্চয় জাকত-জিলিকা অনুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হব পাৰিব।

এইখিনিতে অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক অধ্যাপিকা সকলৰো নিশ্চয় এক গুৰু দায়িত্ব আছে। তেওঁলোকে শ্ৰেণী কোঠাত পাঠদান কৰাৰ উপৰিও অঞ্চলটোৰ শৈক্ষিক, সামাজিক তথা অৰ্থনৈতিক ক্ষেত্ৰত দিগদৰ্শনকাৰী হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু অঞ্চলটোৰ ৰাইজৰ লগত একাত্মতাভাব গঢ়ি তুলিব লাগিব। তেতিয়াহে তেওঁলোকৰ সমাজৰ প্ৰতি যি দায়বদ্ধতা আছে সেইটো উচিতভাবে পালন কৰা হব। তেতিয়াহে ছাত্ৰ-ছাত্ৰীখিনিৰ লগতে ৰাইজো এই মহৎ শিক্ষানুষ্ঠানখনৰ পৰা উপকৃত হব পাৰিব আৰু যি উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল সি নিশ্চয় সফলকাম হ'ব।

□□□